بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**বনু মোস্তালিকৰ যুদ্ধৰ পৰিস্থিতি আৰু সংঘটিত হোৱা ঘটনা সম্পৰ্কে বৰ্ণনাৰ লগতে জলছা ছালানা বৃটেইন আৰু জলছাত যোগদানকাৰী সকলৰ বাবে দোৱাৰ তেহেৰিক।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৯ জুলাই ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যোৱা জুমাৰ খোতবাত বনু মুস্তালিকৰ যুদ্ধ অভিযানৰ বিষয়ে বৰ্ণনা কৰা হৈছিল। এই অভিযান সম্পৰ্কে বিতং বৰ্ণনা হাদীছ আৰু ইতিহাসত উল্লেখ পোৱা যায়। ছহী বোখাৰীত লিখা আছে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে বনু মুস্তালিকৰ ওপৰত আক্ৰমণ চলাইছিল তেতিয়া তেওঁলোকে গাফিলতিৰে বহি আছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই ঘটনা সম্পৰ্কে কৈছে যে আঁহজৰত (ছাঃ)য়ে বনু মুস্তালিকৰ ওপৰত এনেকুৱা অৱস্থাত আক্ৰমণ কৰিছিল যে তেওঁলোকে হাত সাৰটি বহি নিজৰ পোহনীয়া জন্তু বিলাকক পানী পান কৰোৱাই আছিল। এই বিষয়ে ভালদৰে গমি চালে দেখা যায় যে এই বৰ্ণনাটো ইতিহাসবিদ সকলৰ বৰ্ণনাৰ বিৰুদ্ধে নহয়। প্ৰকৃততে এই দুয়োটা ৰোৱায়েত দুটা ভিন্ন সময়ৰ লগত সম্পৰ্কিত। ঘটনাখিনি এনেদৰে হৈছিল যে যেতিয়া ইছলামী বাহিনী বনু মুস্তালিকৰ ওচৰ পাইছিলগৈ তেতিয়া তেওঁলোকে গমেই পোৱা নাছিল যে মুছলমান সকলে আহি ইমান কাষ চাপি গৈছে গতিকে তেওঁলোকে তৰবিয়ত বিহীন হৈ পৰি আছিল। এই অৱস্থাৰ ফালে বোখাৰী চৰিফৰ বৰ্ণনাত ইঙ্গিত কৰিছে। কিন্তু যেতিয়া তেওঁলোকে ইছলামী সৈন্য বাহিনী আহি পোৱাৰ উমান পাইছিল তেতিয়া তেওঁলোকে নিজৰ আগৰ প্ৰস্তুতি অনুযায়ী তৎক্ষণাত যুদ্ধৰ বাবে শাৰী পাতি সাজু হৈ পৰে। এই পৰিস্থিতিৰ বৰ্ণনা ইতিহাসবিদ সকলেও কৰিছে।

বনু মুস্তালিকৰ যুদ্ধত এজন চাহাবী শ্বহীদ হৈছিল আৰু সেয়াও ভুলতে হৈছিল, এজন মুছলমানেই তেখেতক কাফিৰ বুলি ভাৰি ভুলতে শ্বহীদ কৰি পেলায়।

উম্মুল মোমিনিন হজৰত জুৱায়ইৰা (ৰাঃ)য়ে কৈছে যে এই যুদ্ধৰ দিনা মই মোৰ দেউতাকক এই বুলি কওঁতে শুনিছোঁ “ইমান ডাঙৰ বাহিনী আহি গৈছে যে যাৰ মোকাবিলা কৰিবলৈ শক্তি আমাৰ নাই ”। তাই ( ৰাঃ)য় কৈছে যে মই নিজে ইমান মানুহ, অস্ত্ৰ-শস্ত্ৰ আৰু ঘোঁৰা দেখিছো যে মই তাৰ হিচাপ দিব নোৱাৰো। মই যেতিয়া ইছলাম গ্ৰহণ কৰিলো আৰু ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে বিয়া হ’ল আৰু ওভতি আহিলো তেতিয়া মই দেখিছিলো যে মুছলমান সকলে আগতকৈ সংখ্যাত যেন কমি গৈছে তেতিয়া মই জানিব পাৰিছিলো যে এয়া আল্লাহ তা’লাৰ ফালৰ পৰা আবিৰ্ভাৱ হোৱা আতংক আছিল, যিবোৰ আল্লাহ তা’লা মুশৰিক সকলৰ হৃদয়ত উদ্ভাসিত কৰি দিছিল।

মালে গণিমত হিচাপে লাভ কৰা উটৰ সংখ্যা আছিল দুই হেজাৰ, ছাগলী পাঁচ হাজাৰ আৰু দুশ পৰিয়াল কয়েদী হৈ পৰিছিল। কিছুমান ইতিহাসবিদে কয়েদীৰ সংখ্যা সাতশতকৈ অধিক আছিল বুলি বৰ্ণনা কৰিছে। আঁহজৰত (ছাঃ)য়ে হজৰত বুৰায়দা (ৰাঃ)ক সেই কয়েদী সকলৰ পৰিচালক হিচাপে নিযুক্তি দিছিল।

আঁহজৰত (ছাঃ)য়ে গোটেইখিনি গণিমতৰ মালৰ পঞ্চমাংশ পৃথক কৰিছিল। খোদা তা’লাৰ নিৰ্দেশ অনুযায়ী এই মঞ্চমাংশ ধনমাল খোদা আৰু তাৰ ৰছুল আৰু ৰছুলৰ নিকট আত্মীয় আৰু ইছলামী কামৰ প্ৰয়োজন সাপেক্ষে পৃথক কৰা হৈছিল।

বনু মুস্তালিকৰ যি সকল লোকে গ্ৰেপ্তাৰ হৈছিল, তেওঁলোকৰ মাজত চৰদাৰ হাৰিছ বিন আবি জিৰাৰৰ জীয়েক বুৰৰাহও আছিল। আঁহজৰত (ছাঃ)য়ে তাইৰ নাম সলাই জুৱাইয়েৰা নাম ৰাখিছিল। কয়েদী সকলক ভাগ ভাগ কৰাৰ সময়ত জুৱাইয়েৰা (ৰাঃ) এজন আনছাৰী চাহাবী ছাবিত বিন কায়েছ (ৰাঃ)ৰ আশ্ৰয়ত থাকিছিল। বুৰৰাহ ছাবিত বিন কায়েছৰ সৈতে মকাতবত আইনৰ অধীনত চুক্তি কৰিছিল ( মকাতবত মানে হ’ল, কোনো দাস, দাসী নিজৰ মালিকৰ সৈতে এয়া চুক্তি কৰি লয় যে, তেওঁ যদি মালিকক ন আওকিয়া সোণ, (যাৰ মূল্য তিনিশ ষাটি দেৰহাম হয়) আদায় দিব পাৰে তেন্তে তেওঁ মুক্তি লাভ কৰিব। এই চুক্তি সাব্যস্ত কৰাৰ পিছত বৰৰাহ আঁহজৰত (ছাঃ)ৰ ওচৰত আহি সকলো পৰিস্থিতি ভাঙি পাতি কয় আৰু আবেদন জনায় যে মই বনু মুস্তালিকৰ জীয়েক হওঁ, মই ফিদিয়া আদায় দিয়াৰ নিয়ম অনুযায়ী আপোনাৰ অনুমতি বিচাৰো। তাইৰ কথা শুনি আঁহজৰত (ছাঃ)য়ে সম্ভৱত এয়া ধাৰণা কৰিছিল যে তাই এটা বিখ্যাত কবিলাৰ চৰদাৰৰ জীয়েক হয়, গতিকে সেই কবিলাৰ সৈতে তবলিগ কৰা সহজ হ’ব বুলি ভাৰি তাই বিয়া কৰাই লোৱাৰ সিদ্ধান্ত লয়। পিছত বুৰৰাহ সন্মতি সাপেক্ষে আঁহজৰত (ছাঃ)য়ে তাইৰ হৈ ফিদিয়া আদায় দি তাইক বিয়া কৰাই লয়।

চাহাবা সকলে এই ঘটনা দেখি এয়া পছন্দ কৰা নাছিল যে ৰছুলুল্লাহ (ছাঃ)ৰ শশুৰেকৰ ফালৰ লোক সকলক কয়েদী বনাই ৰাখে। গতিকে এশটা পৰিয়ালৰ লোকক বিনা ফিদিয়াত মুক্ত কৰি দিয়ে। সেয়ে হজৰত আয়েশা (ৰাঃ)য় কৈছে যে জুৱাইয়েৰা নিজৰ সম্প্ৰদায়ৰ বাবে বৰ কল্যাণকৰ ব্যক্তি হিচাপে পৰিগণিত হৈছে।

ৰছুলুল্লাহ (ছাঃ)য়ে এই যুদ্ধত বিজয় লাভ কৰি ওভতি আহে আৰু সৰ্বমুঠ আঠাইছ দিন তেখেত (ছাঃ)য়ে মদিনাৰ বাহিৰত থাকি আহে। এই যুদ্ধৰ পৰা ওভতি অহাৰ সময়ত মুনাফিকৰ চৰদাৰ আব্দুল্লাহ বিন আবি বিন ছলোলৰ চতুৰালি ধৰা পৰি যায়। এটা ঘটনাত আব্দুল্লাহ বিন আবিয়ে কুৰাইছ আৰু ৰছুলুল্লাহৰ বিৰুদ্ধে নিজৰ কবিলাৰ লোক সকলক উচটনি দিবলৈ চেষ্টা কৰে আৰু কয় যে মদিনাত ওভতি গৈ আটাইতকৈ বেছি মৰ্যদাবান ব্যক্তিজনক অপমানিত কৰি চহৰৰ পৰা উলিৱাই দিম। জায়েদ বিন আৰকম

(ৰাঃ)য়ে কথাবোৰ শুনি বৰ আবেগিক হৈ আব্দুল্লাহ বিন আবিক কৈছিল, তই নিজৰ সম্প্ৰদায়ৰ মাজত আটাইতকৈ বেছি অধম আৰু অপমানিত ব্যক্তি। ইয়াৰ পিছত এখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰলৈ গৈ সকলো ঘটনা খুলি কয়। কিন্তু আঁহজৰত (ছাঃ)য়ে জায়েদ (ৰাঃ)ৰ কথাবোৰ বিশ্বাস নকৰে আৰু কয় যে - এই ল'ৰা! সম্ভৱত আব্দুল্লাহ বিন আবিৰ ওপৰত তোমাৰ খং উঠিছে। ৰোৱায়েতত উল্লেখ আছে যে ইয়াৰ পিছত আব্দুল্লাহ বিন আবি নিজেই অথবা কাৰোবাৰ কথাত ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত আহে আৰু খোদা তা'লাৰ কছম খাই কয় যে জায়েদে আপোনাক কোৱা কথাবোৰ মিছা হয়। তেওঁ যি কৈছে সকলো ভুল কৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁহজৰত (ছাঃ)য়ে ধাৰণা কৰিছিল যে আব্দুল্লাহ বিন আবিয়ে নিশ্চয় সঁচা কথা কৈছে। ইয়াৰ পিছত হুজুৰ (ছাঃ)য়ে যাত্ৰা আৰম্ভ কৰিবলৈ আদেশ দিছিল আৰু আনছাৰ সকলৰ কিছুমান চৰদাৰৰ সমালোচনাত কৈছিল যে কিয়! তোমালোকে শুনা নাইনে, তোমালোকৰ লগৰীয়া সকলে কি কৈছে? কৈছে যে মদিনাত ওভতি গৈ আটাইতকৈ বেছি মৰ্যদাবান আৰু আটাইতকৈ বেছি অপমানিত ব্যক্তিজনক চহৰৰ পৰা উলিৱাই দিব। এই কথাবোৰ শুনি মুখলিচ আনছাৰ চাহাবা সকলে সুধিছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) নিশ্চয় আপুনি আটাইতকৈ মৰ্যদাবান আৰু সকলো সন্মান আল্লাহ আৰু তাৰ ৰছুলৰ নিমিত্তে হয়। যদি আপুনি বিচাৰে তেন্তে আব্দুল্লাহ বিন আবিক চহৰৰ পৰা খেদি দিব পাৰে আৰু যদি বিচাৰে তেন্তে তাক ক্ষমাও কৰি দিব পাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আব্দুল্লাহ বিন আবিয়ে যিবোৰ কথা কৈছিল সেই সম্পৰ্কে হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে যি বৰ্ণনা আগবঢ়াইছে, সেয়া ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে অহা জুমাৰ দিনৰ পৰা ইনশা আল্লাহ বৃটেইনৰ বাৎসৰিক জলছা আৰম্ভ হ'ব। ইয়াৰ বাবে সকলোৱে দোৱা কৰিব। আল্লাহ তা'লা এই জলছাক যেন সকলো ফালেৰে কল্যাণ মণ্ডিত কৰে। সকলো কৰ্মী বৃন্দক উচ্চ পৰ্যায়ৰ চৰিত্ৰ প্ৰদৰ্শন কৰাৰ আৰু কোৰবানী কৰাৰ আগ্ৰহেৰে নিজৰ দায়িত্ব পালনৰ তৌফিক দান কৰক। যিসকল অতিথি আহি পাইছে আৰু যি সকলে আছে আল্লাহ তা'লা সকলোকে নিৰাপদে ৰাখক। (আমিন)

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে তিনিজন মৰহুম ব্যক্তিৰ চমু পৰিচয় দাঙি ধৰি নামাজ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে।

ইয়াৰে প্ৰথমজনী হ'ল মহতৰমা ছেলিমা ভানু চাহিবা পত্নী হামিদ কওছাৰ চাহাব (নাজিৰ দাওয়াত ইলাল্লাহ ছোমালি হিন্দ) মৰহুমা মুচিয়া আছিল, বৰ অতিথি পৰায়ণ আৰু সহজ সৰল লোক আছিল। তাই বৰ দোৱা কৰোঁতা, নফল ইবাদত গোজাৰ আৰু নিয়মানুবৰ্ত্তিতাৰ মহিলা আছিল। তাই সদৰ লাজনা বোম্বাই হিচাপে খিদমত আগবঢ়াই গৈছে। যেতিয়া মৰহুমাৰ স্বামীয়ে কাবাবিৰত মোবাল্লিগ হিচাপে কাম কৰিছিল, তাত অতিসোনকালেই তাই আৰবী ভাষা শিকি লৈ মহিলা সকলৰ তালিম, তৰবিয়তত অংশ লৈছিল। মৰহুমায় এটা সময় ধৰি সদৰ লাজনা ইমাউল্লাহ কাবাবিৰ হিচাপে খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। তাই তাতে ইজতেমা অনুষ্ঠিত কৰাৰ ছিলছিলা আৰম্ভ কৰে।

হজৰত খলিফাতুল মছিহ ৰাৱে (ৰহঃ)য়ে লাজনা ইমাউল্লাহ কাবাবিৰৰ ইজতেমা সম্পৰ্কে প্ৰশংসা কৰি কৈছে যে লাজনা ইমাউল্লাহ কাবাবিৰ গোটেই আৰৱ মহিলাৰ দ্বাৰা গঠিত, তাতে মাত্ৰ এজনী মহিলা কাশ্মীৰ ভাৰতবৰ্ষৰ পৰা গৈছে। কিন্তু তাই এতিয়া আৰবীয়ান মহিলাৰ দৰেই হৈ গৈছে। মিলিজুলি সিহঁতক শিক্ষা

তৰবিয়ত দিব পাৰিছে। তাই এজনী জীয়েক আৰু দুজন পুত্ৰ সন্তান ইহজগতত এৰি থৈ গৈছে। এজন পুত্ৰ আতাউল মজিদ মোবাশ্বিৰ কওছাৰ এম-টি-এ-আল আৰবীয়া U.K (বৃটেইনত) খিদমত আগবঢ়াই আছে। জীয়েক বুশৰা কওছাৰ চাহিবা ডক্টৰ ইয়ামিন আউদ চাহাবৰ পত্নী। তাই লাজনা ইমাউল্লাহ হলেণ্ডত ন্যাশ্বনেল চেক্ৰেটাৰী খিদমতে খালক হিচাপে খিদমত কৰি আছে। সৰু লৰাজন শ্বৰীফ কওছাৰ (মুৰব্বী ছিলছিলা কাদিয়ান, নায়েব সদৰ মজলিচ খোদ্দামুল আহমদীয়া হিচাপে কাম কৰি আছে আৰু এডিশ্বন্যাল ইনচাৰ্জ শোভা, ছামা বশৰাৰ দায়িত্ব পালন কৰি আছে। আল্লাহ তা'লা মৰহুমাৰ মৰ্যদা উন্নীত কৰক।

দ্বিতীয়জন মৰহুম মকৰম নুৰুল হক মজহৰ চাহাব অফ লাহোৰ। মৰহুম মুচি আছিল। বৰ ধৈৰ্য্যশীল, সাহসী, তাহাজ্জুদ গোজাৰ পাঁচ ওয়াক্ত নামাজী, কোৰাণ তিলাওয়াতকাৰী, দয়ালু আৰু সাধাৰণ জীৱন-যাপন কাৰী লোক আছিল। মৰহুমৰ পুত্ৰ ৰাগিব জিয়াউল হক আৰু জীয়েক আমতুল মাতিন চাহিবা ময়দানে আমলত খিদমত আগবঢ়াই আছে। যাৰ দেউতাকৰ জানাজাত চামিল হ'ব পৰা নাই।

তৃতীয় জন হ'ল মহতৰমা আমতুল হাফিজ নিগাহত চাহিবা, পত্নী মহম্মদ স্বাফি চাহাব মৰহুম (ৰাবোৱা) মৰহুমা ৰোজা, নামাজৰ পাবন্ধ, দোৱাকাৰী আৰু খিলাফত প্ৰেমী লোক আছিল। তাই তবলিগৰ প্ৰতি আগ্ৰহী, দৰিদ্ৰ, বেমাৰী সকলৰ প্ৰতি সহানভুতিশীল আৰু উত্তম চৰিত্ৰৰ মহিলা আছিল। হুজুৰ (আইঃ)য়ে মৰহুমিন সকলৰ উন্নত মৰ্যদা প্ৰাপ্তিত বাবে দোৱা কৰে আল্লাহ তালা সকলোকে ক্ষমা আৰু মৰ্যদা দান কৰক। (আমিন)

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 19 JULY 2024**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844**

অনুবাদক ঃ শ্বাহজাহান আলি মুৰাল্লিম ছিলছিলা